**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
000000000

১। ভাৰতে ৰাষ্ট্ৰসংঘত পাকিস্তানে জম্মু-কাশ্মীৰৰ বিষয় উত্থাপন কৰাৰ তীব্ৰ বিৰোধিতা কৰিছে।

২। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজৰ সম্পৰ্ক অধিক গভীৰ কৰি তোলা বিষয়ত গুৰুত্ব আৰোপ কৰিছে।

৩। অসম চৰকাৰে অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি জিলাত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে।

৪। ইৰানৰ বিৰুদ্ধে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সামৰিক অভিযানত প্ৰতিবন্ধকতা আৰোপ কৰি দেশখনৰ ছিনেটত এখন বিধেয়ক গৃহীত হৈছে।

আৰু

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত কলম্বিয়াই কংগোক  পৰাস্ত কৰি নকআউট পৰ্যায়ত প্ৰৱেশ কৰিছে।

000000000

ভাৰতে ৰাষ্ট্ৰসংঘত পাকিস্তানে জম্মু-কাশ্মীৰৰ বিষয় উত্থাপন কৰাৰ তীব্ৰ বিৰোধিতা কৰিছে। ইছলামাবাদ মহলে ৰাষ্ট্ৰসংঘ মঞ্চৰ ৰাজনীতিকৰণ কৰা বুলি অভিযোগ তুলি ভাৰতে কয়, যে পাকিস্তানে সহ-অধ্যক্ষ হিচাপে নিৰপেক্ষ ভূমিকা পালন কৰাৰ পৰিৱৰ্তে পদৰ অপব্যৱহাৰহে কৰিছে। ৰাষ্ট্ৰসংঘত পাকিস্তানৰ স্থায়ী প্ৰতিনিধি আছিম ইফটিকাৰে কৰা মন্তব্যৰ প্ৰত্যুত্তৰত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে সহ-অধ্যক্ষ হিচাপে পাকিস্তানৰ আচৰণৰ সমালোচনা কৰি কয়, যে জম্মু-কাশ্মীৰ সন্দৰ্ভত দেশৰ দীৰ্ঘদিনীয়া স্থিতি দোহাৰে। তেওঁ কয়, যে জম্মু-কাশ্মীৰৰ বিষয়টো সম্পূৰ্ণৰূপে ভাৰতৰ অভ্যন্তৰীণ বিষয় বুলি তেওঁ মন্তব্য কৰে।

000000000

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজৰ সম্পৰ্ক অধিক গভীৰ কৰি তোলা বিষয়ত গুৰুত্ব আৰোপ কৰিছে। বৰ্তমানৰ প্ৰত্যাহ্বানমূলক গোলকীয় পৰিস্থিতিত একে ধৰণৰ মূল্যবোধ তথা পৰস্পৰৰ প্ৰতি আস্থা থকা দেশসমূহে ঘনিষ্ঠভাৱে তথা একেলগে আগবাঢ়ি যোৱাটো প্ৰয়োজনীয় বুলি তেওঁ মত প্ৰকাশ কৰে। ছিউলত আজি দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰী চ' হিউনৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰাৰ সময়ত বিদেশ মন্ত্ৰী ড০ জয়শংকৰে এইদৰে মন্তব্য আগবঢ়ায়। সাম্প্ৰতিক আন্তঃৰাষ্ট্ৰীয় পৰিস্থিতিত পৰস্পৰৰ প্ৰতি বিশ্বাস তথা আস্থা বহন কৰি অহা দেশসমূহৰ মাজত সহযোগিতা বৃদ্ধি কৰাৰ বিষয়ত তেওঁ গুৰুত্ব আৰোপ কৰে।

সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত বিদেশ মন্ত্ৰীগৰাকীয়ে কয় যে আজিৰ এই বৈঠকত তেওঁলোকে দুয়োখন দেশৰ ৰাজনৈতিক, জাহাজ নিৰ্মাণ, বাণিজ্য, বিনিয়োগ, প্ৰতিৰক্ষা, প্ৰযুক্তি, নিকা শক্তি, সংস্কৃতি আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ ক্ষেত্ৰত সহযোগিতাৰ দৰে বিষয়সমূহ পৰ্যালোচনা কৰে। দ্বিপাক্ষিক সম্পৰ্কক অধিক আগবঢ়াই নিয়াৰ বাবে দক্ষিণ কোৰিয়াৰ বিদেশ মন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা ভূমিকাৰো তেওঁ  শলাগ লয়।

000000000

অসম চৰকাৰে অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি জিলাত হোৱা ধাৰাসাৰ বৰষুণ আৰু আকস্মিক বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। গুৱাহাটীৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰ আৰু ইটানগৰৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি নামনি সোৱণশিৰি জিলাৰ বিভিন্ন অঞ্চলত বিগত ২৪ ঘণ্টাত প্ৰায় ৭২ দশমিক ৮

মিলিমিটাৰ বৰষুণ হৈছে। নেৰানেপেৰা বৰষুণৰ ফলত আকস্মিক বানৰ সৃষ্টি হৈছে আৰু নৈসমূহ ফেনে-ফোটোকাৰে ওফন্দি উঠিছে। ৰঙানদী জলবিদ্যুৎ প্ৰকল্প এলেকাত হোৱা আকস্মিক বানৰ বাবে পানী বৃদ্ধি পোৱাত প্ৰকল্পটোৰ এখন গে'ট খুলি দিয়া হৈছে। উজনিৰ অৱবাহিকা অঞ্চলসমূহত হোৱা ধাৰাসাৰ বৰষুণৰ বাবে অসমৰ ধেমাজি, লখিমপুৰ, বিশ্বনাথ আৰু শোণিতপুৰ জিলাত অহা দুই-এদিনত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ৰাজ্য চৰকাৰে পৰিস্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি আছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশ মৰ্মে মুখ্য সচিবে সংশ্লিষ্ট সকলো কৰ্তৃপক্ষৰ সৈতে কথা-পাতিছে আৰু সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিছে। প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা জিলাসমূহৰ প্ৰশাসন আৰু সংশ্লিষ্ট বিভাগসমূহক পৰিস্থিতি নিৰীক্ষণ কৰি থাকিবলৈ আৰু সময়মতে সতকৰ্তামূলক ব্যৱস্থা অৱলম্বন কৰিবলৈ কোৱা হৈছে। ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্য জৰুকালীন সহায় সংস্থাসমূহক প্ৰয়োজন হ'লেই নিয়োজিত কৰিব পৰাকৈ সাজু কৰি ৰখা হৈছে।

ক্ষেত্ৰ পৰ্যায়ৰ বিষয়াসকলক নৈ আৰু বিপদৰ আশংকা থকা ঠাইসমূহৰ স্থিতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। একেদৰে দ' আৰু বানপ্ৰৱণ এলেকাত বাস কৰা লোকসকলক সতৰ্ক হৈ থাকিবলৈ আৰু প্ৰয়োজনসাপেক্ষে নিৰাপদ স্থানলৈ যাবলৈ কোৱা হৈছে। বানৰ সময়ছোৱাত সৃষ্টি হোৱা কোৱাল সোঁতলৈ যাই জনসাধাৰণক বানৰ কৱলত পৰা এলেকালৈ নাযাবলৈ আৰু থলুৱাভাৱে নিৰ্মিত নাৱেৰে ব্ৰহ্মপুত্ৰৰ বুকুৱে ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

000000000

তেহৰানত থকা ভাৰতীয় দূতাবাসে ইৰানৰ সুৰক্ষা পৰিস্থিতি উন্নত হোৱালৈ চাই ভাৰতৰ নাগৰিকৰ বাবে সংশোধিত পৰামৰ্শ জাৰি কৰিছে। শেহতীয়া ইতিবাচক ঘটনাক্ৰম আৰু সামগ্ৰিক পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত দূতাবাসে ভাৰতীয় নাগৰিকসকলক গমিপিতি চাইহে ভ্ৰমণৰ পৰিকল্পনা কৰিবলৈ পৰামৰ্শ দিছে। ভাৰতীয় নাগৰিকসকলক পৰৱৰ্তী জাৰি নকৰা পৰ্যন্ত অনাৱশ্যকীয় ইৰান ভ্ৰমণ এৰাই চলিবলৈ কোৱা হৈছে। দূতাবাস কৰ্তৃপক্ষই সম্প্ৰতি ইৰানত থকা ভাৰতীয় নাগৰিক আৰু অনাৱশ্যকীয় কাৰণত দেশখনলৈ যাবলগীয়া হোৱাসকলক সতৰ্কতা অৱলম্বন কৰিবলৈ আৰু পৰিস্থিতিৰ শেহতীয়া তথ্যৰ বিষয়ে অৱগত হ'বলৈ কৈছে। দূতাবাসে লগতে স্থানীয় ঘটনাক্ৰম বিশ্বাসযোগ্য সূত্ৰৰ মাধ্যমেৰে সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ আৰু স্থানীয় কৰ্তৃপক্ষই জাৰি কৰা নিৰ্দেশসমূহ মানি চলিবলৈ আহ্বান জনাইছে।

000000000

গুৰু উদ্যোগ দপ্তৰৰ মন্ত্ৰী এইচ ডি কুমাৰস্বামীয়ে ভৱিষ্যত বিকাশৰ মূল ভেটি হিচাপে ডিজিটেল প্ৰক্ৰিয়া আঁকোৱালি ল'বলৈ তীখা উদ্যোগ খণ্ডলৈ আহ্বান জনাইছে। নতুন দিল্লীত আজি তীখা খণ্ডৰ ডিজিটেল ৰূপ বিষয়ক চিন্তন শিবিৰত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয়, যে ভাৰতে ২০১৮ চনৰে পৰা বিশ্বৰ দ্বিতীয় সৰ্ববৃহৎ তীখা উৎপাদনকাৰী হিচাপে নিজৰ স্থিতি অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ২০২১-২২ বিত্তীয় বৰ্ষৰ পাছৰেপৰা কেঁচা তীখাৰ উৎপাদন বছৰি প্ৰায় ৮ শতাংশকৈ বৃদ্ধি পাই আহিছে। ইয়াৰ বিপৰীতে তীখাজাত সামগ্ৰী ব্যৱহাৰ প্ৰায় ১৩ শতাংশ বৃদ্ধি পাইছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰী কুমাৰস্বামীয়ে কয়, যে কৃত্ৰিম বুদ্ধিমত্তা, যন্ত্ৰৰ বিষয়ক শিকন, ৰব'টিক্‌চ, ডিজিটেল টুইন্‌ছ আৰু এডভান্স এনেলাইটিক্‌ছৰ দৰে প্ৰযুক্তিসমূহ উৎপাদন বৃদ্ধি, সুৰক্ষা, শক্তিৰ ব্যৱহাৰ হ্ৰাস আৰু ব্যয় কম কৰাৰ বাবে অতিকৈ জৰুৰী।

000000000

ইৰানৰ বিৰুদ্ধে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সামৰিক অভিযানত প্ৰতিবন্ধকতা আৰোপ কৰি দেশখনৰ ছিনেটত এখন বিধেয়ক গৃহীত হৈছে। সেই অনুসৰি এতিয়াৰে পৰা এনে কোনো কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ হ'লে ৰাষ্ট্ৰপতি ট্ৰাম্পে সংসদৰ অনুমোদন গ্ৰহণ কৰিব লাগিব। বিধেয়কখনক লৈ যোৱা নিশা হোৱা ভোটগ্ৰহণত ৫০ গৰাকী সদস্যই ইয়াৰ সপক্ষে ভোটদান কৰাৰ বিপৰীতে ৪৮ গৰাকী ছিনেটৰে প্ৰস্তাৱটোৰ বিৰোধিতা কৰে। দেশখনৰ নিম্ন সদনত যোৱা মাহত বিধেয়কখন গৃহীত হৈছিল। অৱশ্যে, আমেৰিকা অথবা ইয়াৰ মিত্ৰ ৰাষ্ট্ৰৰ বিৰুদ্ধে হ'বপৰা যিকোনো ধৰণৰ আক্ৰমণক প্ৰতিহত কৰিব পৰাকৈ পশ্চিম এছিয়াত দেশখনৰ সীমিত সংখ্যক সৈনিক নিয়োজিত কৰি ৰখাৰ প্ৰতি বিধেয়কখনত অনুমতি প্ৰদান কৰা হৈছে।

উল্লেখযোগ্য যে আমেৰিকাৰ ছিনেটত ৰিপাব্লিকান দলৰ সংখ্যাগৰিষ্ঠতা থাকিলেও এই দলৰ চাৰিগৰাকী সদস্যই দলীয় সিদ্ধান্তৰ বিৰুদ্ধাচৰণ কৰি বিধেয়কখনৰ সপক্ষে ভোটদান কৰে।

০০০০০০০০০

ভাৰতৰ বাণিজ্যৰ হাৰ বিগত বিত্তীয় বৰ্ষৰ শেষৰ তিনিটা মাহত ৫ দশমিক ৪ শতাংশ বৃদ্ধি পাইছে। নিটি আয়োগৰ উপাধ্যক্ষ ড০ অশোক কুমাৰ লাহিৰীয়ে আজি এই কথা প্ৰকাশ কৰে। নতুন দিল্লীত ট্ৰেড ৱাচ্‌ৰ ত্ৰিমাসিক প্ৰতিবেদনৰ শেহতীয়া সংখ্যাটো উন্মোচন কৰি তেওঁ লগতে কয় যে বিত্তীয় বৰ্ষৰ শেষৰ তিনিটা মাহত ভাৰতৰ ৰপ্তানিৰ পৰিমাণ ১ দশমিক ৮-৪ ট্ৰিলিয়ন ডলাৰলৈ বৃদ্ধি পোৱাৰ বিপৰীতে আমদানিৰ হাৰ ৬ দশমিক ৫ শতাংশলৈ বৃদ্ধি পাইছে।

০০০০০০০০০

নতুন দিল্লীত কাইলৈ কেন্দ্ৰীয় বিদ্যালয়সমূহৰ ৩৬ সংখ্যক ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতা ২০২৫-২৬ৰ বঁটা বিতৰণী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে অধ্যক্ষতা কৰিবলগীয়া এই অনুষ্ঠানত বিজয়ী শিক্ষাৰ্থী আৰু বিদ্যালয়সমূহক বঁটা প্ৰদান কৰা হ'ব। উল্লেখযোগ্য যে সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে বিগত ৩৮ বছৰ ধৰি কেন্দ্ৰীয় বিদ্যালয়সমূহৰ বাবে যুৱ সংসদ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। ৰাষ্ট্ৰীয় যুৱ সংসদ প্ৰতিযোগিতা আঁচনিৰ অধীনত সমগ্ৰ দেশৰ ২৫ টাৰো অধিক অঞ্চলৰ ২০০ খন বিদ্যালয়ৰ মাজত ২০২৫-২৬ বৰ্ষত এই শৃংখলাৰ ৩৬ সংখ্যক প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

০০০০০০০০০

ফিফা বিশ্বকাপ ফুটবলত আজি পুৱা মেক্সিক'ত অনুষ্ঠিত গ্ৰুপ কেৰ এখন খেলত কলম্বিয়াই কংগোক ১-০ গ'লত পৰাস্ত কৰি নক আউট পৰ্যায়ত প্ৰৱেশ কৰে। ডেনিয়েল মুনোজে দ্বিতীয়াৰ্ধত দিয়া গ'লেৰে কলম্বিয়াই একেৰাহে দ্বিতীয়খন খেলত জয়লাভ কৰে। ইয়াৰ পূৰ্বে ।

ইয়াৰ পূৰ্বে কানাডাৰ টৰণ্টো ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-এলৰ এখন খেলত ক্ৰ'ৱেচিয়াই পানামাক ১-০ গ'লত পৰাস্ত কৰে। পানামাৰ খেলুৱৈসকলে খেলখনৰ শেষভাগত প্ৰতিদ্বন্দ্বী দলটোৰ বিৰুদ্ধে তীব্ৰ হেঁচা প্ৰয়োগ কৰিছিল যদিও ক্ৰৱেছিয়াৰ গ'লকিপাৰ ডমিনিক লিৱাকোভিচে কেইবাটাও গ'ল ৰক্ষা কৰি ক্ৰ'ৱেচিয়াৰ বিজয় নিশ্চিত কৰে।

ইয়াৰ আগেয়ে আমেৰিকাৰ হিউষ্টনত অনুষ্ঠিত গ্ৰুপ-কেৰ এখন খেলত কালি পৰ্টুগালে উজবেকিস্তানক ৫-০ গ'লত পৰাস্ত কৰে। আনহাতে, ইংলেণ্ড আৰু ঘানাৰ মাজত ফক্সবৰ'ৰ বষ্টন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-এলৰ আন এখন খেল গ'লশূন্যভাৱে সমাপ্ত হয়।

০০০০০০০০০

সমাপ্ত